# মনজিত শইকীয়া চলিহাৰ কবিতা

**পাৰিপাৰ্শ্বিক কবিতা**

থালি বটলত সোমাই
নৈখন বিক্ৰী হ’ল
পানী বিনামূলীয়া
কিন্তু দৰ-দাম আৰম্ভ হ’ল।

বেগে বেগে
হাতে হাতে
নৈখন ওলমি ৰ’ল।

নৈৰ বুকুত
থালি বটল সোমাই ওপঙি ৰ’ল,
বিশুদ্ধ পানীৰ বিনিময়ত
নৈখন দূষিত হ’ল,
থালি বটলত সোমাই
আকৌ নৈখন বিক্ৰী হ’ল।

**মনজিত শইকীয়া চলিহা** এগৰাকী কবি আৰু গীতিকাৰ। কৰ্মসূত্ৰে ওমানৰ মাছকাটত বাস কৰা চলিহাৰ এতিয়ালৈকে দুখন কবিতা-সংকলন প্ৰকাশ পাইছে।